ক্ৰীড়া

বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ইতিহাস গিল আৰু পণ্টৰ, অতিক্ৰম কৰিলে ৩,০০০ ৰানৰ সীমা

বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ৩,০০০ ৰান সংগ্ৰহ কৰা প্ৰথম দুগৰাকী ভাৰতীয় বেটাৰ হিচাপে ইতিহাস ৰচিলে শুভমন গিল আৰু ঋষভ পণ্টে।

প্ৰকাশ: ২১ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৫



Gill, Pant become first Indians to cross 3,000 WTC runs (ANI)

বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত নতুন ইতিহাস ৰচিলে ভাৰতীয় দলৰ শুভমন গিল আৰু ঋষভ পণ্টে। প্ৰতিযোগিতাখনৰ ইতিহাসত ৩,০০০ ৰানৰ সীমা অতিক্ৰম কৰা প্ৰথম দুগৰাকী ভাৰতীয় বেটাৰ হিচাপে অভিলেখ গঢ়িছে খেলুৱৈ দুগৰাকীয়ে। ইয়াৰ সমান্তৰালকৈ পণ্টে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ৩,০০০ ৰান সংগ্ৰহ কৰা বিশ্বৰ প্ৰথমগৰাকী উইকেটৰক্ষক-বেটাৰ হিচাপেও পৰিগণিত হৈছে।

নিউজিলেণ্ডৰ বিৰুদ্ধে ৱেলিংটনৰ বেছিন ৰিজাৰ্ভত চলি থকা প্ৰথমখন টেষ্টৰ তৃতীয় দিনা দুয়োগৰাকীয়ে এই

কৃতিত্ব অর্জন কৰে। শুভমন গিলে প্ৰথমে এই মাইলৰ খুঁটিত উপনীত হয়। মেচখনৰ পূৰ্বে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ৭৬টা ইনিংছত তেওঁৰ সংগ্ৰহ আছিল ২,৯১৭ ৰান। ব্যক্তিগত ৯৮ ৰানৰ ইনিংছ খেলি থকা অৱস্থাত গ্লেন ফিলিপছৰ বলত ছয় কোবাই ভাৰতীয় দলৰ অধিনায়কগৰাকীয়ে ৩,০০০ ৰানৰ সীমা অতিক্ৰম কৰে। অৱশ্যে শতকৰ পৰা মাত্ৰ দুই ৰান দূৰত থাকোঁতে দিনটোৰ অন্তিম অভাৰত জেকব ডাফীৰ বলত ৯৮ ৰান কৰি গিল ব’ল্ড হয়।

ইয়াৰ পিছতে ঋষভ পণ্টেও ৩,০০০ ৰানৰ সীমা স্পৰ্শ কৰে। মেচখনৰ পূৰ্বে পণ্টৰ নামত আছিল ২,৯৪৮ ৰান। ১২৩সংখ্যক অভাৰত এটা বাউণ্ডেৰী কোবাই তেওঁ এই মাইলৰ খুঁটিত উপনীত হোৱাৰ লগতে নিজৰ টেষ্ট কেৰিয়াৰৰ ২২সংখ্যক অৰ্ধশতকো সম্পূৰ্ণ কৰে। দিনটোৰ খেলৰ অন্তত পণ্টে ৬২টা বলত ৫৫ ৰান কৰি অপৰাজিত হৈ থাকে।

ইয়াৰ পূৰ্বে প্ৰথম ভাৰতীয় হিচাপে অজিংক্য ৰাহানেই বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ১,০০০ ৰান আৰু পৰৱৰ্তী সময়ত ৰোহিত শৰ্মাই ২,০০০ ৰান অতিক্ৰম কৰিছিল। এতিয়া ৩,০০০ ৰানৰ সীমা স্পৰ্শ কৰা প্ৰথম ভাৰতীয় হিচাপে নিজৰ নাম লিপিবদ্ধ কৰিলে গিলে।

তৃতীয় দিনৰ খেলৰ অন্তত ভাৰতে প্ৰথম ইনিংছত ৪টা উইকেটৰ বিনিময়ত ৪৮৬ ৰান সংগ্ৰহ কৰিছে। দলৰ হৈ কে এল ৰাহুলে ১৩৬ ৰান, যশস্বী জয়ছোৱালে ৮৫ ৰান আৰু দেৱদত্ত পাড়িক্কলে ৮০ ৰান কৰে। ৰাহুল আৰু পাড়িক্কলৰ মাজত ১৬৫ ৰানৰ এক গুৰুত্বপূৰ্ণ অংশীদাৰিত্ব গঢ় লয়। দিনটোৰ অন্তত পণ্টৰ সৈতে নৈশপ্ৰহৰী অংশুল কম্বোজ ক্ৰীজত অপৰাজিত হৈ থাকে। নিউজিলেণ্ডৰ প্ৰথম ইনিংছৰ ৩৬৮ ৰানৰ বিপৰীতে ভাৰতে হাতত ৬টা উইকেট মজুত ৰাখি এতিয়ালৈকে ১১৮ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5009/shubman-gill-rishabh-pant-wtc-3000-runs-record